# অসম চৰকাৰ

## জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্য্যালয়:::::::::::::বঙাইগাঁও

## জাননী

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা যায় যে ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশানুসাৰে অহা ০১-০১-২০২৩ ইং তাৰিখক ভিত্তি হিচাবে ধৰি অহা ইং ০৯-১১-২০২২ ইং তাৰিখৰ পৰা আন আন ঠাইৰ দৰে ৩২ নং বঙাইগাঁও বিধান সভা সমষ্টিৰ ফটোযুক্ত খচৰা ভোটাৰ তালিকা বিশেষ সংক্ষিপ্ত সংশোধনীৰ কাম-কাজ আৰম্ভ হব । ভোটাৰ তালিকাত নাম অৰ্ন্তভুক্তি, কৰ্তন, শুধৰণি আৰু স্থানান্তৰকৰণৰ বাবে দাবী বা আপত্তি থাকিলে তলত উল্লেখ কৰা সংশোধনী সূচী অনুসৰি নিজ নিজ এলেকাত অৱস্থিত কম্পিউটাৰ চেন্টাৰ, অনুমোদিত কেন্দ্ৰ (Common Service Centre) অথবা স্মাৰ্ট ফোনৰ যোগেদি www.nvsp.in Voter portal/Voter Helpline Appত নিজৰ নিজৰ দাবী/আপত্তি দাখিল কৰিব পাৰিব ।

### সংশোধনী সূচী

| ক্ৰমিক নং | সংশোধনৰ পৰ্য্যায় | নিৰ্দ্ধাৰিত সময় |
|---|---|---|
| ১ | খচৰা ভোটাৰ তালিকা প্ৰকাশৰ তাৰিখ | ৯ নভেম্বৰ, ২০২২ (বুধবাৰ) |
| ২ | দাবী আৰু আপত্তি দাখিলৰ তাৰিখ | ৯ নভেম্বৰ, ২০২২ (বুধবাৰ) ৰ পৰা ৮ ডিচেম্বৰ, ২০২২ (বৃহস্পতিবাৰ) |
| ৩ | বিশেষভাবে প্ৰচাৰৰ তাৰিখ | প্ৰচাৰৰ দিন আৰু তাৰিখ অসমৰ মুখ্য নিৰ্বাচন বিষয়াৰ অনুমোদন অনুসৰি নিৰ্দ্ধাৰিত সময়ত জনোৱা হব। |
| ৪ | দাবী আপত্তি নিস্পত্তিৰ তাৰিখ | ২৬ ডিচেম্বৰ, ২০২২ (সোমবাৰ) ৰ ভিতৰত |
| ৫ | ১। ভোটাৰ তালিকা পুনৰীক্ষণ আৰু নিৰ্বাচন আয়োগৰ অনুমোদন ।<br>২। ডাটাবেছ আপডেট আৰু ভোটাৰ তালিকা মুদ্ৰন । | ৩ জানুৱাৰী, (মঙ্গলবাৰ) ২০২৩ ৰ ভিতৰত |
| ৬ | ভোটাৰ তালিকাৰ চূড়ান্ত প্ৰকাশ | ৫ জানুৱাৰী, ২০২৩ (বৃহস্পতিবাৰ) |

| | |
|---|---|
| প্ৰপত্ৰ নং-৬ | নাম অৰ্ন্তভুক্তিৰ বাবে । |
| প্ৰপত্ৰ নং-৬ (ক) | প্ৰবাসী ভাৰতীয়ৰ নাম অৰ্ন্তভুক্তিৰ বাবে । |
| প্ৰপত্ৰ নং-৭ | নাম কৰ্তনৰ বাবে । |
| প্ৰপত্ৰ নং-৮ | শুধৰণিৰ বাবে/একে সমষ্টিৰ ভিতৰত নাম স্থানান্তৰণৰ বাবে/ এটা সমষ্টিৰ পৰা আন সমষ্টিলৈ নাম স্থানান্তৰিত কৰাৰ বাবে । |

সবিশেষ জানিবৰ বাবে নিম্ন উল্লেখিত বিষয়াৰ লগত যোগাযোগ কৰিব পাৰিব ।

| | |
|---|---|
| নৱদীপ পাঠক ,অঃ অঃ সেঃ<br>উপায়ুক্ত আৰু জিলা নিৰ্বাচন বিষয়া<br>বঙাইগাঁও<br>ফোন নং-০৩৬৬৪-২৩০৮৮৯ | নৱনীতা হাজৰিকা, অঃ অঃ সেঃ<br>নিৰ্বাচন বিষয়া<br>বঙাইগাঁও<br>ফোন নং-৬০০৩৪১৬৮৯১ |

বঙাইগাঁও নিৰ্বাচনী কাৰ্য্যালয়ৰ সৈতে যোগাযোগ কৰক- ৬০০৩৮৩৭৩৮৫
ECI Call Centre No.1950,ECI website http://eci.gov.in, CEO website http://ceoassam.nic.in, DEO website http://bongaigaon.nic.in, www.nvsp.in

বি.দ্ৰ- ১) যি সকলৰ বয়স আগন্তুক ০১-০১-২০২৩ ইং তাৰিখৰ ভিতৰত ১৮ বছৰ বা তাতোধিক হয়, তেওঁলোকে ভোটাৰ তালিকাত নাম অৰ্ন্তভুক্ত কৰিব পাৰিব ।

২) প্ৰয়োজনীয় প্ৰ-পত্ৰ অনলাইন যোগে দাখিল কৰাৰ আগতে সংশ্লিষ্ট ভোট গ্ৰহণ কেন্দ্ৰ পৰ্য্যায়ৰ বিষয়াৰ সৈতে যোগাযোগ কৰিব।

৩) বিশেষ পৰামৰ্শৰ বাবে ৩২ নং বঙাইগাঁও বিধান সভা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়া/সংশ্লিষ্ট সহ-নিৰ্বাচন পঞ্জীয়ন বিষয়া/ নিজ নিজ এলেকাৰ ভোট গ্ৰহণ কেন্দ্ৰ পৰ্য্যায়ৰ বিষয়াৰ লগত যোগাযোগ কৰিব পাৰিব ।

স্বাঃ

স্থান -বঙাইগাঁও
তাৰিখ - ৩ নভেম্বৰ, ২০২২

জিলা উপায়ুক্ত আৰু জিলা নিৰ্বাচনী বিষয়া
বঙাইগাঁও